# 2026

## ASSAMESE

## ( Minor )

Paper : ASS0600504

( তুলনামূলক ভাৰতীয় সাহিত্য )

( Set–B )

*Full Marks* : 60

*Time* : 2½ hours

*The figures in the margin indicate full marks for the questions.*

১। অতি চমুকৈ উত্তৰ দিয়া : ১×৮=৮

(ক) তুলনামূলক সাহিত্যৰ ইংৰাজী প্ৰতিশব্দ কি?

(খ) বৌদ্ধ ধৰ্মৰ মূল গ্ৰন্থখনৰ নাম কি?

(গ) ভক্তি প্ৰধানকৈ কেইপ্ৰকাৰৰ?

(ঘ) 'মন্দিৰ' গল্পটোত থকা অপৰ্ণাৰ দেউতাকৰ নাম কি?

(ঙ) 'বিয়াৰ মুকুট' গল্পটো কি ভাষাত (মূল) ৰচিত?

(চ) 'ঊনৈশ পূৰা দুকঠা' উপন্যাসখনত ভগিয়া আৰু সাৰিয়াৰ গাইজনীৰ নাম কি ?

(ছ) প্ৰথম ভাৰতীয় সামাজিক উপন্যাসখনৰ নাম কি ?

(জ) ভগিয়াৰ মাটি কোনে হস্তগত কৰিছিল ?

২। চমু উত্তৰ লিখা (যি কোনো ছটা) : ২×৬=১২

(ক) তুলনামূলক সাহিত্য অধ্যয়নৰ দুটা শাখা (school) উল্লেখ কৰা।

(খ) পৃথিৱীৰ কোন ঠাইত আৰু কেতিয়া প্ৰথম তুলনামূলক সাহিত্যৰ বিভাগ প্ৰতিষ্ঠা হৈছিল ?

(গ) 'আদিকাব্য' বুলি ভাৰতবৰ্ষত কোনখন মহাকাব্যক জনা যায় ? মহাকাব্যখনৰ কবি কোন ?

(ঘ) দুগৰাকী অসমীয়া বৈষ্ণৱ কবিৰ নাম লিখা।

(ঙ) ভাইয়া কোন ? ওস্তাদৰ লগত তেওঁৰ সম্পৰ্ক কি ?

(চ) 'বিয়াৰ মুকুট' নামৰ গল্পটিৰ কইনা আৰু দৰাৰ নাম লিখা।

(ছ) প্ৰেমচন্দৰ দুখন উপন্যাসৰ নাম লিখা।

(জ) অমৰনাথ কোন ? তেওঁৰ পত্নীৰ নাম কি ?





(ঝ) 'শিশু' গল্পটোত গংগুৱে কাৰ ঘৰত কাম কৰিছিল ? তেওঁ কাক বিয়া কৰাবৰ বাবে কামটো এৰি দিছিল ?

(ঞ) 'পদ্মানদীৰ মাঝি' উপন্যাসখনত কুবেৰৰ পত্নীৰ নাম কি ? কপিলা সম্পৰ্কত তেওঁৰ কি হয় ?

৩। চমু টোকা লিখা (যি কোনো চাৰিটা) : ৫×৪=২০

(ক) তুলনামূলক সাহিত্যৰ যি কোনো এটা অধ্যয়ন পদ্ধতি

(খ) ব্ৰজবুলি ভাষাৰ বৈশিষ্ট্য

(গ) চণ্ডীদাস

(ঘ) বিদ্যাপতি

(ঙ) জয়শংকৰ প্ৰসাদৰ 'ভাৰত মহিমা'

(চ) অনিতা দেশাইৰ 'সঙ্গত'

(ছ) 'বিয়াৰ মুকুট' গল্পটোত প্ৰতিফলিত বাস্তৱতা

(জ) 'পদ্মানদীৰ মাঝি' উপন্যাসৰ এটি নাৰী চৰিত্ৰ

৪। তলত দিয়া প্ৰশ্নসমূহৰ উত্তৰ লিখা (যি কোনো দুটা) : ১০×২=২০

(ক) তুলনামূলক সাহিত্য বুলিলে কি বুজা ? তুলনামূলক সাহিত্যত অনুবাদৰ গুৰুত্ব সম্পৰ্কে আলোচনা কৰা।

(খ) 'সোনাৰ তৰী' কবিতাটোৰ বিষয়বস্তু আৰু কাব্যিক সৌন্দৰ্য আলোচনা কৰা।

(গ) 'শিশু' গল্পটিৰ মাজেৰে সমকালীন ভাৰতীয় সমাজৰ চিত্ৰ কেনেদৰে প্ৰতিফলিত হৈছে, বিচাৰ কৰা।

(ঘ) 'পদ্মানদীৰ মাঝি' উপন্যাসত আঞ্চলিক উপন্যাসৰ বৈশিষ্ট্য কিদৰে ফুটি উঠিছে, আলোচনা কৰা।

(ঙ) 'উনৈশ পূৰা দুকঠা' উপন্যাসখনত শোষণ, নিষ্পেষণৰ নির্মম চিত্র কিদৰে অংকিত হৈছে, আলোচনা কৰা।

★★★

# 2 0 2 6

## ASSAMESE

## ( Minor )

Paper : ASS0600604

( অসমৰ আৰ্যভিন্ন ভাষা )

( Set–A )

*Full Marks* : 60

*Time* : 2½ hours

*The figures in the margin indicate full marks for the questions.*

১। তলৰ প্ৰশ্নসমূহৰ অতি চমুকৈ উত্তৰ লিখা : ১×৮=৮

(ক) এটা আৰ্যভিন্ন ভাষা-পৰিয়ালৰ নাম উল্লেখ কৰা।

(খ) অষ্ট্ৰিক গোষ্ঠীৰ ভাষা কোৱা লোক বসবাস কৰা ভাৰতৰ যি কোনো এখন ৰাজ্যৰ নাম লিখা।

(গ) *Linguistic Survey of India* গ্ৰন্থখনৰ ৰচক কোন?

(ঘ) বৰো ভাষাৰ প্ৰথমখন ব্যাকৰণ-কাকতৰ নাম কি?

(ঙ) মিচিং ভাষা কোনটো ভাষা-পৰিয়ালৰ অন্তৰ্গত?

(চ) কার্বি ভাষাত বিশিষ্ট ব্যঞ্জনধ্বনিৰ সংখ্যা কেইটা ?

(ছ) বৰো ভাষাত বচন কেইবিধ ?

(জ) 'অসমীয়া আৰু অসমৰ তিব্বত-বৰ্মীয় ভাষা' গ্ৰন্থখনৰ ৰচক কোন ?

২। তলৰ যি কোনো ছয়টা প্ৰশ্নৰ চমুকৈ উত্তৰ লিখা : ২×৬=১২

(ক) ভাৰতত প্ৰচলিত যি কোনো দুটা প্ৰধান ভাষাগোষ্ঠীৰ নাম লিখা।

(খ) তিব্বত-বৰ্মী শাখাৰ প্ৰধান উপশাখা দুটা উল্লেখ কৰা।

(গ) ৰাভা ভাষাৰ প্ৰথমখন সৰ্বজনবিদিত আলোচনীৰ নাম কি ? আলোচনীখনৰ সম্পাদক কোন ?

(ঘ) গাৰো ভাষাত সন্ধি কেইটা আৰু কি কি ?

(ঙ) কাৰ্বিসকলে বসবাস কৰা অসমৰ দুখন জিলাৰ নাম লিখা।

(চ) 'পাপ' আৰু 'পূজা' শব্দ দুটাৰ বৰো ৰূপ লিখা।

(ছ) অসমীয়া ভাষাত ব্যৱহৃত দুটা আহোম শব্দ লিখা।

(জ) শ্যাম-চীনীয় শাখাৰ প্ৰধান ভাগ দুটা কি কি ?

(ঝ) অস্ট্ৰিক ভাষাগোষ্ঠীৰ প্ৰধান শাখা দুটা কি কি ?

(ঞ) ড০ প্ৰমোদ চন্দ্ৰ ভট্টাচাৰ্যই কোনখন গ্ৰন্থৰ বাবে, কিমান চনত পি.এইচ.ডি. ডিগ্ৰী লাভ কৰিছিল ?





৩। তলৰ যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ লিখা : ৫×৪=২০

(ক) তিব্বত-বৰ্মী শাখাৰ প্ৰধান উপশাখা সম্পৰ্কে লিখা।

(খ) বৰোসকলে ব্যৱহাৰ কৰা লিপি সম্পৰ্কে লিখা।

(গ) বৰো ভাষাত গৱেষণাৰ উত্তৰণ সম্পৰ্কে লিখা।

(ঘ) গণমাধ্যমত মিচিং ভাষাৰ ব্যৱহাৰ সম্পৰ্কে লিখা।

(ঙ) আৰ্যভিন্ন ভাষাৰ দ্বিস্বৰ আৰু ত্ৰিস্বৰধ্বনি সম্পৰ্কে লিখা।

(চ) আৰ্যভিন্ন ভাষাৰ ব্যঞ্জনধ্বনি সম্পৰ্কে লিখা।

(ছ) বৰো ভাষাৰ চমু পৰিচয় দিয়া।

(জ) তিব্বত-বৰ্মীয় ভাষাত অসমীয়া ভাষাৰ ধ্বনিগত প্ৰভাৱ সম্পৰ্কে লিখা।

৪। তলৰ যি কোনো দুটা প্ৰশ্নৰ উত্তৰ লিখা : ১০×২=২০

(ক) আৰ্যভিন্ন ভাষা বুলিলে কি বুজা ? অসমত প্ৰচলিত আৰ্যভিন্ন ভাষাসমূহৰ সম্যক পৰিচয় দাঙি ধৰা।

(খ) চীন-তিব্বতীয় ভাষাসমূহৰ আদিম বাসস্থান আৰু অসমত এই ভাষা-পৰিয়ালৰ ভাষাসমূহৰ অৱস্থান সম্পৰ্কে চমুকৈ আলোচনা কৰা।

(গ) মিচিং আৰু গাৰো ভাষাৰ উত্তৰণ তথা স্থিতি সম্পৰ্কে বিতংকৈ লিখা।

(ঘ) ৰাভা ভাষাৰ ধ্বনিতাত্ত্বিক, ৰূপতাত্ত্বিক আৰু বাক্যতাত্ত্বিক বৈশিষ্ট্যসমূহ উদাহৰণসহ আলোচনা কৰা।

(ঙ) অসমীয়া ভাষাত অষ্ট্ৰিক আৰু দ্ৰাবিড় ভাষাৰ প্ৰভাৱৰ বিষয়ে ফঁহিয়াই আলোচনা কৰা।

★★★